Total No. of Printed Pages—8

**24E—ANTH**

**2024**

# ANTHROPOLOGY

*Full Marks* : 70
*Pass Marks* : 21

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**ALLOTMENT OF MARKS**

| | | |
|---|---|---|
| Q. No. **1**(*a*) carries *1* mark each | : | 1×4 = 4 |
| Q. No. **1**(*b*) carries *1* mark each | : | 1×4 = 4 |
| Q. No. **2** carries *2* marks each | : | 2×10 = 20 |
| Q. No. **3** carries *3* marks each | : | 3×9 = 27 |
| Q. Nos. **4** to **6** carry *5* marks each | : | 5×3 = 15 |
| | | Total = 70 |

**1.** *(a)* Choose the correct answer (any *four*) : 1×4=4

শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো চাৰিটা) :

*(i)* Human skull consists of 14 / 20 / 22 bones.

মানুহৰ লাওখোলা 14 / 20 / 22 ডোখৰ হাড়েৰে গঠিত।

*(ii)* Man / Gorilla possesses sagittal crest.

মানুহ / গৰিলাৰ সমমিতাধী শিখৰ আছে।

*(iii)* *The Old Stone Age* was written by Daniel Wilson / M. C. Burkitt / E. B. Tylor.

*The Old Stone Age* ডেনিয়েল উইলচনৰ / এম. চি. বাৰকিটৰ / ই. বি. টাইলৰৰ দ্বাৰা লিখা হৈছিল।

*(iv)* The pluvial period refers to the period of heavy snowfall / tsunami / rainfall.

জলাহ যুগত অতিপাত হিমপাত / চুনামী / বৰষুণ হৈ থাকে।

*(v)* Ornaments / Education / Plough is an example of intangible culture.

অলংকাৰ / শিক্ষা / নাঙল হ'ল এবিধ অবস্তুগত সংস্কৃতিৰ উদাহৰণ।

*(vi)* The Asiatic Society of Bengal was established in the year 1764 / 1774 / 1784.

এচিয়াটিক ছ'চাইটি অৱ বেংগল স্থাপিত হৈছিল 1764 / 1774 / 1784 চনত।

*(vii)* The geological method is used to study stone tools / fossils / layers of the earth.

ভূ-তাত্ত্বিক পদ্ধতিৰে শিলৰ সঁজুলি / জীৱাশ্ম / মাটিৰ স্তৰসমূহ অধ্যয়ন কৰা হয়।

*(b)* Answer any *four* of the following questions : 1×4=4

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(i)* Which species of animal kingdom is studied in anthropology?

নৃতত্ত্বত জীৱজগতৰ কোনবিধ প্ৰাণীৰ অধ্যয়ন কৰা হয় ?

*(ii)* Who coined the term 'prehistory'?

'প্ৰাগ্-ইতিহাস' শব্দটো কোনে উদ্ভাৱন কৰিছিল ?

*(iii)* Which epoch comes after Pleistocene?

প্লিষ্ট'চিনৰ পিচৰ যুগটোৰ নাম কি ?

*(iv)* Name the bone where foramen magnum is present.

মহাৰন্ধ্ৰ অৱস্থিত হাড়ডালৰ নাম লিখা।

*(v)* What is the scientific name of man?

মানুহৰ বৈজ্ঞানিক নাম কি ?

*(vi)* "Culture is man-made part of environment." Who said this?

"সংস্কৃতি হ'ল প্ৰাকৃতিক পৰিৱেশৰ পৰা মানৱকৃত সমল।" এই কথাষাৰ কোনে কৈছিল ?

*(vii)* What is the social unit based on age?

বয়সৰ আধাৰত প্ৰতিষ্ঠিত সামাজিক গোট কি ?

**2.** Answer any *ten* of the following questions : 2×10=20

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো দহটাৰ উত্তৰ লিখা :

*(a)* Write the definition of anthropology as given by Herskovitz or A. L. Kroeber.

হাৰস্ক'ভিট্‌চ বা এ. এল. ক্ৰোবাৰে আগবঢ়োৱা নৃতত্ত্বৰ সংজ্ঞাটো লিখা।

*(b)* "Anthropology is the science of man." State what you understand by this statement.

''নৃতত্ত্ব মানে হ'ল মানৱ বিজ্ঞান।'' এই উক্তিৰ পৰা তুমি কি বুজা?

*(c)* Write briefly the scope of anthropology.

নৃতত্ত্বৰ পৰিসৰ সম্বন্ধে চমুকৈ লিখা।

*(d)* Write four physical characters of the mammals.

স্তন্যপায়ী জীৱৰ চাৰিটা আৱয়বিক লক্ষণ লিখা।

*(e)* How many bones constitute human skull? Name the only movable bone in human skull.

মানুহৰ লাওখোলাটো কেইডাল হাড়েৰে গঠিত? মানুহৰ লাওখোলৰ লৰচৰ কৰিব পৰা একমাত্ৰ হাড়ডালৰ নাম লিখা।

*(f)* How many parts of a tooth are there in human beings? Name them.

মানুহৰ দাঁত একোটাৰ অংশ কেইটা? নাম লিখা।

*(g)* What do you understand by the word 'protohistory'?

'আদি ইতিহাস' বা 'প্ৰাৰম্ভিক ইতিহাস' বুলিলে তুমি কি বুজা?

(h) What is called relative method of dating?

পৰোক্ষ কাল নিৰ্ণয় পদ্ধতি কাক বোলে?

(i) Write three divisions of absolute dating method.

প্ৰত্যক্ষ কাল নিৰ্ণয় পদ্ধতিৰ তিনিটা ভাগ লিখা।

(j) What is called acculturation?

সাংস্কৃতিক অনুবৰ্তন বা সংস্কৃত্যায়ন কাক বোলে?

(k) What do you mean by innovation?

নৱ প্ৰচলন বুলিলে কি বুজা?

(l) Define polyandrous family and give one example.

বহুপতি-সমন্বিত পৰিয়ালৰ সংজ্ঞা লিখি এটা উদাহৰণ দিয়া।

(m) What are called bilocal family and avunculocal family?

উভয়স্থানিক পৰিয়াল আৰু মাতুলস্থানিক পৰিয়াল কাক বোলে?

(n) What is called ancestral clan?

পূৰ্বজ গোত্ৰ কাক বোলে?

(o) Mention any two differences between family and clan.

পৰিয়াল আৰু গোত্ৰৰ মাজৰ যি কোনো দুটা পাৰ্থক্য উল্লেখ কৰা।

3. Answer any *nine* of the following questions : 3×9=27

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো নটাৰ উত্তৰ লিখা :

(a) Show the different subdivisions of anthropology with a neat diagram.

নৃতত্ত্বৰ বিভিন্ন শাখাসমূহ এটা পৰিষ্কাৰ চিত্ৰ আঁকি দেখুৱাই দিয়া।

(b) Describe briefly the main objectives of studying anthropology.

নৃতত্ত্ব অধ্যয়নৰ মূল উদ্দেশ্যসমূহ চমুকৈ বৰ্ণনা কৰা।

(c) Write three physical characters of Hominidae.

হ'মিনিডিৰ তিনিটা শাৰীৰিক বৈশিষ্ট্য লিখা।

(d) Write briefly about the theory of eternity of the present condition.

অবিনশ্বৰ সূত্ৰৰ বিষয়ে চমুকৈ লিখা।

(e) Describe either the frontal bone or parietal bone.

ললাটিকা অস্থি অথবা মস্তক পাৰ্শ্বাস্থিৰ বৰ্ণনা দিয়া।

(f) Write a short note on dendrochronology or tree ring dating.

বৃক্ষবলয় বিশ্লেষণ প্ৰণালীৰ বিষয়ে এটা চমু টোকা লিখা।

(g) Write down the names of glacial and interglacial periods. Mention three animals that lived during glacial periods.

তুষাৰ আৰু অন্তৰাতুষাৰ যুগৰ নাম লিখা। তুষাৰ যুগত বাস কৰা তিনিবিধ প্ৰাণীৰ নাম উল্লেখ কৰা।

*(h)* What are the utilities of studying prehistory?

প্ৰাগ্-ইতিহাস অধ্যয়নৰ উপযোগিতাবোৰ কি কি?

*(i)* Distinguish between material culture and non-material culture.

বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজৰ পাৰ্থক্য দেখুওৱা।

*(j)* Define E. B. Tylor's definition of culture and mention three important characteristics of culture.

ই. বি. টাইলৰৰ সংস্কৃতিৰ সংজ্ঞা লিখা আৰু সংস্কৃতিৰ তিনিটা মুখ্য বৈশিষ্ট্য উল্লেখ কৰা।

*(k)* Give a clear concept of ethnocentrism.

আত্মনৃগোষ্ঠীকেন্দ্ৰিকতাৰ এটি স্পষ্ট ধাৰণা দিয়া।

*(l)* Write three differences between rural society and urban society.

গ্ৰাম্য সমাজ আৰু নগৰীয়া সমাজৰ মাজত থকা তিনিটা পাৰ্থক্য লিখা।

*(m)* What do you mean by social institution? Write two characteristics of social institution.

সামাজিক সংস্থা বুলিলে কি বুজা? ইয়াৰ দুটা বৈশিষ্ট্য লিখা।

**4.** What are the main branches of anthropology? Mention the subject-matters of each of them 5

নৃতত্ত্বৰ মুখ্য শাখাসমূহ কি কি? প্ৰতি শাখাৰ বিষয়বস্তু উল্লেখ কৰা।

*Or* / *অথবা*

Why is man called a 'primate'? In what particular characters does man differ from other primates?

মানুহক কিয় 'প্ৰাইমেট' বোলা হয়? কোন নিৰ্দিষ্ট বৈশিষ্ট্যৰ ভিত্তিত মানুহ আন প্ৰাইমেটৰ পৰা পৃথক?

**5.** Give an account of Neanderthal man. 5

নিয়ানডাৰ্থেল মানৱৰ এটি বিৱৰণ দিয়া।

*Or* / *অথবা*

What do you mean by the term 'prehistory'? Discuss three important methods of studying prehistoric anthropology.

'প্ৰাগ্-ইতিহাস' বুলিলে কি বুজা? প্ৰাগৈতিহাসিক নৃতত্ত্ব অধ্যয়নৰ তিনিটা গুৰুত্বপূৰ্ণ পদ্ধতি আলোচনা কৰা।

**6.** Define human society. Discuss the features of human society. 1+4=5

মানৱ সমাজৰ সংজ্ঞা দিয়া। মানৱ সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*Or* / *অথবা*

Write briefly the causes of culture change. 5

সাংস্কৃতিক পৰিৱৰ্তনৰ কাৰণসমূহ চমুকৈ লিখা।

★★★